# অসম আদিত্য

২০ আহিন, ১৯৪৫ শক ■ দেওবাৰ, ৮ অক্টোবৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Sunday, October 8, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


## ংগাৰ পুত্ৰৰ অত্যাচাৰত এৰিলে দুৰ্ভগীয়া মাতৃয়ে

৭ অক্টোবৰ ঃ যোৰহাটত
বাবেই তিলতিলকৈ নিজৰ
সাবটি লোৱা এগৰাকী মাতৃৰ
নাই ৰাজ্য জোকাৰি যোৱাৰ
গাঁও জিলাৰ ৰহাত এগৰাকী
ৰুগীয়া মাতৃয়ে নিজ পুত্ৰৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি বিয়া দিয়া জীয়েকৰ ঘৰত আশ্ৰয় ল'বলগীয়া হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ পোহৰলৈ অহা এই ঘটনাৰ সবিশেষ মতে ৰহাৰ দেবাগুৰিৰ ভানু ৮ পৃষ্ঠাত

## কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় মিলেট বৰ্ষ

ডিব্ৰুগড়, ৭ অক্টোবৰ ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ পৰিৱেশ আৰু জলবায়ু কোষৰ সহযোগত আজি 'আন্তঃৰাষ্ট্ৰীয় মিলেট বৰ্ষ-২০২৩' উদ্‌যাপন কৰা হয়। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি 'আন্তঃৰাষ্ট্ৰীয় মিলেট বৰ্ষ-২০২৩ আৰু ইয়াৰ তাৎপৰ্য' শীৰ্ষক বিষয়ত এক আলোচনা-চক্ৰ অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হোৱা অনুষ্ঠানটি শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই ৮ পৃষ্ঠাত

এজন ছাত্ৰক কালি এগৰাকী শিক্ষকে বেয়াকৈ মাৰপিট কৰি গুৰুতৰভাৱে আহত কৰাত তিনিচুকীয়াত ৮ পৃষ্ঠাত

## ৰে'লপথত অচিনাক্ত মৃতদেহ উদ্ধাৰ

প্ৰতিবেদক, মৰিয়নি, ৭ অক্টোবৰ ঃ মৰিয়নিৰ ৰে'লৱে আৰক্ষী থানাৰ অন্তৰ্গত মৰিয়নি-ফৰকাটিং ৰে'লৱে লাইনৰ যোৰহাট সদৰৰ সমীপত যোৱানিশা উলংগ অৱস্থাত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। ৮ পৃষ্ঠাত

নৰ্থ-ইষ্ট-২০২৩ সন্দৰ্ভত সংবাদ মাধ

## বিজ্ঞানী ড° চৌ শইকীয়ালৈ জা

প্ৰতিবেদক, দেৰগাঁও, ৭ অক্টোবৰ ঃ দেৰগাঁও
ড° চৌধুৰী নাথ শইকীয়াক 'নৱপ্ৰভাত এনজি
অনুসূচিত জাতিপ্ৰাণ বঁটা' প্ৰদান কৰিছে। যুটী
জিলাৰ ৰণথলীৰ গহনাগাঁটিৰ বাট
বনিয়ালৈকো আগবঢ়োৱা হৈছে। অ
কলাক্ষেত্ৰত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত
গোলাপ চান্দ কাটাৰিয়াৰ পৰা ড° শইকীয়

# অসম আদিত্য

০ আহিন, ১৯৪৫ শক ■ দেওবাৰ, ৮ অক্টোবৰ, ২০২৩ ■ Asom Aditya, Dibrugarh, Sunday, October 8, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা


## ডাজ টপাৰ ছ্যে' শীৰ্ষক

কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচীত শিক্ষানুষ্ঠানখনৰ
তৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাণিজ্য শাখাত স্থান দখল
জ্ঞানদীপ দুৱৰাৰ সৈতে বৰ্তমান অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ
ষ্ঠানৰ আয়োজন কৰা হয়। ৰিলায়েন্স ছিনিয়ৰ ছেকেণ্ডাৰী
প্ৰবক্তা অমিত নাগৰীয়ে আঁত ধৰা উক্ত অনুষ্ঠানত প্ৰাক্তন
ৱৰাক এখনি ফুলাম গামোচা আৰু স্মাৰক প্ৰদান কৰি সম্বৰ্ধনা
ানত ৰিলায়েন্স ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালন সঞ্চালক
জ্যোতিলেন্দ্ৰ নাথ হাজৰিকা, অধ্যক্ষা প্ৰিয়ংকা শইকীয়া দাস
জ্যাতি দুৱৰা উপস্থিত থাকি বাণিজ্য শাখা আৰু বিশেষকৈ
গৰীৰ এনে ব্যতিক্ৰমী পদক্ষেপৰ শলাগ হয়।

## াগৰত ধ্ৰুৱেশ্বৰ নাথৰ

াগৰ শংকৰদেৱ বিদ্যা মন্দিৰৰ প্ৰতিষ্ঠাপক পৰিচালনা সমিতিৰ
যা অৱসৰপ্ৰাপ্ত অধ্যক্ষ ধ্ৰুৱেশ্বৰ নাথৰ অভিনন্দন গ্ৰন্থ 'নান্দনিক'
াচন কৰি এইদৰে কয়। সাংবাদিক- সমাজকৰ্মী ৰাজীৱ দত্ত
ক অনুৰাগ মহন্ত ওৰফে জীৱন কৃষ্ণ গোস্বামীৰ দ্বাৰা সম্পাদিত
মাচন কৰি তুৱাৰাম খনিকৰে আৰু কয়— পৃথিৱীখন আৱৰি

## কানৈ মহাবিদ্যালয়ত

কয়— পুষ্টিহীনতাত ভোগা ব্যক্তিসকলক মিলেটে অধিক পুষ্টি প্ৰদান কৰিব পাৰে। তেওঁ কয়— কম খৰচতে উৎপাদন হোৱা এই মিলেটক অসমৰ কৃষকে ব্যৱসায়িক ভিত্তিত উৎপাদন কৰিলে অধিক উপকৃত হোৱাৰ সম্ভাৱনা আছে। মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অলকানন্দা বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° দেৱ পল্লৱ ৰাজখোৱাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক প্ৰেৰণাদায়ক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটিত সম্বল ব্যক্তি হিচাপে বক্তৃতা প্ৰদান কৰে কানৈ মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ৰাজীৱ লোচন বৰাই। তেওঁ মিলেট ব্যৱহাৰ কৰি বিভিন্ন পদ্ধতিৰ খাদ্য প্ৰস্তুত কৰাৰ বিষয়ে অৱগত কৰি মিলেটৰ অপৰিসীম পুষ্টি আৰু স্বাস্থ্যজনিত উপকাৰিতাৰ বিষয়ে আলোকপাত কৰাৰ লগতে উত্তৰ-পূৱ ভাৰতৰ জনসাধাৰণে ইয়াক নিজৰ খাদ্যভাসত সংযোজন কৰাৰ কথা চিন্তা কৰিব লাগে বুলি মন্তব্য কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, শৈক্ষিক সমন্বয়ক ড° অনন্ত কুমাৰ দত্ত, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা দীনালিছা বৰা, অধ্যাপক অম্বৰীষ ভূঞা, অধ্যাপক অভিলাষ ভট্টাচাৰ্যকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° গীতামণি দত্তই।

## বিজেপিৰ বিৰুদ্ধে বঙাইগাঁৱত

হায় হায়', 'বিজেপিৰ স্বেচ্ছাচাৰী শাসন নিপাত যাওক', 'ৰাহুল গান্ধী জিন্দাবাদ' আদি বিভিন্ন শ্ল'গান দি প্ৰতিবাদকাৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। কাৰ্যসূচীত অংশ লৈ জিলা কংগ্ৰেছৰ সভাপতি আবুল কাশেমে কয় যে বিজেপিৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিৰুদ্ধে আৰু দেশক কঙাল কৰাৰ বিৰুদ্ধে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ভাৰত জোড়ো যাত্ৰাৰ জৰিয়তে জনগণৰ সঠিক সমস্যাসমূহ সমাধানৰ বাবে যি যাত্ৰা আৰম্ভ কৰিছে আৰু 'ইণ্ডিয়া' গঠন হোৱাত বিজেপি দল হতাশাগ্ৰস্ত হৈ পৰিছে। লগতে ২০২৪ চনৰ নিৰ্বাচনত দলটো বেয়াকৈ যে পৰাস্ত হ'ব তাৰ উমান পাই ৰাহুল গান্ধীক নজিৰবিহীনভাৱে আক্ৰমণৰ লক্ষ্য কৰি লৈ নানা অসন্মানজনক মন্তব্য কৰি আহিছে। বিজেপিয়ে এইদৰে ৰাহুল গান্ধীক কৰা অশোভনীয় মন্তব্যক জিলা কংগ্ৰেছে ধিক্কাৰ জনাই স্বাধীনতাৰ পূৰ্বেও আৰএছএছ দলে মহাত্মা গান্ধীক ৰাৱণৰ সৈতে তুলনা কৰিছিল বুলি সমালোচনা কৰে।

## শিৱসাগৰ কলেজত তিনিদিনীয়া

কলেজ চৌহদত অনুষ্ঠিত এই ফটো প্ৰদৰ্শনী আজি আনুষ্ঠানিকভাৱে CRPFৰ ১৪৩ নম্বৰ বেটেলিয়নৰ কামাণ্ডেণ্ট ললিত কুমাৰ বাৰ্মাই উদ্বোধন কৰে। এই ফটো প্ৰদৰ্শনীত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বিগত ৯ বছৰত লাভ কৰা উল্লেখযোগ্য সফলতাৰ খতিয়ান দাঙি ধৰা হৈছে। প্ৰদৰ্শনীৰ উদ্বোধনী অনুষ্ঠানত